জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ১৯/২০২১**

# স্বৰ্ণালঙ্কাৰ আৰু পৰম্পৰাগত অসমীয়া গহনাৰ সমূহীয়া কেন্দ্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিলে মুখ্যমন্ত্ৰী

## আমাৰ পৰম্পৰাগত শিল্প কলাত মান সংযোজনেৰে স্বাভিমান বৃদ্ধি কৰাৰ উপৰি ৰাজ্যখনৰ অৰ্থনৈতিক ভেটি শক্তিশালী কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৮ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজ্য চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগে ড'নাৰ মন্ত্ৰালয়ৰ অধীনৰ উত্তৰ-পূব পৰিষদৰ বিত্তীয় সাহায্যৰে বমুনীমৈদামৰ উদ্যোগ পামত নিৰ্মাণ কৰা উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথম স্বৰ্ণালঙ্কাৰ আৰু পৰম্পৰাগত অসমীয়া গহনাৰ সমূহীয়া কেন্দ্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখ্য যে ৰাজ্যখনৰ প্ৰায় ২.৫০ লাখ স্বৰ্ণশিল্পী পৰম্পৰাগত গহনা-গাথৰি নিৰ্মাণৰ সৈতে জড়িত। আজি উদ্বোধন কৰা এই প্ৰতিষ্ঠানটোৱে থলুৱা স্বৰ্ণালঙ্কাৰ আৰু পৰম্পৰাগত অসমীয়া গহনাৰ মূল্য সংযোজনেৰে বিশ্ব বজাৰ দখলৰ দিশত অনন্য ভূমিকা পালন কৰিব। এই কেন্দ্ৰটোত স্থাপন কৰা মানসম্পন্ন যন্ত্ৰপাতি, অত্যাধুনিক প্ৰযুক্তিয়ে গহনা প্ৰস্তুতকাৰীসকলক বিভিন্ন ডিজাইন আৰু মান সম্পন্ন গহনা খৰতকীয়াভাৱে উৎপাদন কৰাতো বিশেষভাৱে সহায় কৰিব। এই কেন্দ্ৰটোত জেমছ্ ষ্টোন প্ৰচেচিং আৰু জেম'লজিকেল লেবৰেটৰী, অসমীয়া থলুৱা গহণা শাখা, প্লেটিং শাখা, কাষ্টিং শাখা, দায়ি শাখা, চেইন প্ৰস্তুত কৰা, সোণ পৰীক্ষা আৰু লেজাৰ চলজাৰিং শাখা, গহণাৰ ডিজাইন প্ৰস্তুত কৰা শাখা তথা বিপণনৰ বাবে শ্ব'ৰুম সন্নিৱিষ্ট কৰা হৈছে যাতে একেটা থলিতে থলুৱা গহণা প্ৰস্তুতকাৰীসকলে প্ৰয়োজনীয় সকলো সা-সুবিধা লাভ কৰিব পাৰে। তদুপৰি এই কেন্দ্ৰটোত স্বৰ্ণালঙ্কাৰ প্ৰস্তুতৰ লগত জড়িত হোৱাৰ প্ৰতি আগ্ৰহী যুৱক-যুৱতীসকলক ৬ মহীয়া প্ৰশিক্ষণ প্ৰদানৰ সুবিধা থাকিব।

স্বৰ্ণালঙ্কাৰ আৰু পৰম্পৰাগত অসমীয়া গহনাৰ সমূহীয়া কেন্দ্ৰটো আনুষ্ঠানিকভাৱে মুকলি কৰি এই উপলক্ষে উদ্যোগ আৰু বাণিজ্য বিভাগৰ দ্বাৰা আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'ভোকেল ফৰ লোকেল' আহ্বানেৰে আমাৰ থলুৱা তথা পৰম্পৰাগত শিল্পসমূহত মূল্য সংযোজনেৰে বিশ্ব বজাৰ দখলৰ বাবে সকলোকে নিষ্ঠাসহকাৰে ব্ৰতী হোৱাৰ বাবে আহ্বান জনাইছে। 'এক্ট ইষ্ট পলিচি' ৰূপায়ণৰ পদক্ষেপৰ জৰিয়তে আমাৰ ৰাজ্যখনে আছিয়ান ১০ খন দেশৰ লগতে ভাৰত, ভূটান আৰু নেপালৰ ৮০ কোটি জনসাধাৰণেৰে সমৃদ্ধ এখন বৃহৎ বজাৰ লাভ কৰিছে। আমাৰ থলুৱা গহনাই যাতে এই বজাৰ দখল কৰিব পাৰে এই ক্ষেত্ৰত আজি মুকলি কৰা স্বৰ্ণালঙ্কাৰ আৰু পৰম্পৰাগত অসমীয়া গহনাৰ সমূহীয়া কেন্দ্ৰটোৱে উল্লেখযোগ্য ভূমিকা পালন কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জনসাধাৰণে পূৰ্বপুৰুষৰ পৰা বিভিন্ন ক্ষেত্ৰত

দক্ষতা বুটলিছে। এই পৰম্পৰাগত শিল্প কলাত মান সংযোজনেৰে আমাৰ স্বাভিমান বৃদ্ধি কৰাৰ উপৰি ৰাজ্যখনৰ অৰ্থনৈতিক ভেটি শক্তিশালী কৰিব লাগিব। ২১ শতিকাক এক প্ৰত্যাহ্বানৰ শতিকা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বিশ্ববজাৰ দখল কৰিব লাগিলে আমাৰ বাণিজ্যিক ধ্যান ধাৰণাক শক্তিশালী ৰূপ দিব লাগিব বুলিও কয়। এই কেন্দ্ৰটোত সোণ আৰু বিভিন্ন মুকুতাৰ পৰীক্ষা কৰাৰ ব্যৱস্থা আছে বুলি উল্লেখ কৰি ইয়ে ক্ৰেতাসকলৰ মনত বিশ্বাস যোগ্যতা বৃদ্ধি কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। গহনা-গাথৰিৰ প্ৰতি সকলোৰে এক স্বভাৱগত দুৰ্বলতা আছে বুলি উল্লেখ কৰি ৰাজ্য চৰকাৰে আৰ্থিকভাৱে দুৰ্বল বিবাহৰ পঞ্জীয়ন কৰা দম্পতীলৈ সোণ ক্ৰয়ৰ বাবে ৪০ হাজাৰ টকা 'অৰুন্ধতী আঁচনি'ৰ জৰিয়তে প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

এই কেন্দ্ৰটোত ৬০ গৰাকী স্বৰ্ণশিল্পৰ প্ৰতি আগ্ৰহী যুৱক-যুৱতীয়ে ৬ মহীয়া প্ৰশিক্ষণ লাভৰ সুবিধা লাভ কৰিব বুলি জানিব পাৰি মুখ্যমন্ত্ৰীয়ে এই প্ৰশিক্ষাৰ্থীসকলে ইয়াত প্ৰশিক্ষণ লৈ নিজে উৎপাদনশীল কামত জড়িত হোৱাৰ উপৰি নিয়োগ সৃষ্টিৰ দিশটো বিশেষ ভূমিকা ল'ব পাৰিব বুলি আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'আত্মনিৰ্ভৰ ভাৰত' নিৰ্মাণৰ বাবে যি আহ্বান জনাইছে সেই আহ্বানৰ প্ৰতি সঁহাৰি জনাই অসমৰ জনসাধাৰণেও 'আত্মনিৰ্ভৰ অসম' গঢ়ি তুলি উপাৰ্জন তথা স্বৱলম্বিতাৰে ভাৰতক বিশ্বৰ ভিতৰতে শ্ৰেষ্ঠ ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ কামত নিষ্ঠাসহকাৰে ব্ৰতী হ'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে জনসাধাৰণৰ সহযোগত সমগ্ৰ ৰাজ্যখনতে বিগত চাৰে চাৰি বছৰে যি এক শান্তিৰ পৰিৱেশ বৰ্তাই ৰাখিবলৈ সক্ষম হৈছে ইয়াৰ ফলশ্ৰুতিত অসমৰ উদ্যোগ খণ্ডৰ লগতে বিনিয়োগে যথেষ্ট অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে বুলিও তেওঁ উল্লেখ কৰে। 'এডভান্টেজ আসাম' শীৰ্ষক প্ৰথমবাৰৰ বাবে ৰাজ্যখনত আয়োজিত কৰা বিশ্ববিনিয়োগ সন্মিলনত ৭৯ হাজাৰ কোটি টকা বিনিয়োগৰ প্ৰতিশ্ৰুতি অনুসৰি এতিয়ালৈকে ৫৫ হাজাৰ কোটি টকা বিভিন্ন খণ্ডৰ বিনিয়োগ ৰাজ্যখনে লাভ কৰিবলৈ সক্ষম হৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে এই কেন্দ্ৰটোৰে ৰণথলীৰ দৰে অন্যান্য ঠাইৰ থলুৱা গহনা শিল্পৰ লগত জড়িত শিল্পীসকলকো সকলো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়াব বুলি আশা প্ৰকাশ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে এই সমূহীয়া কেন্দ্ৰটোত স্থাপন কৰা অত্যাধুনিক সা-সৰঞ্জাম আৰু যন্ত্ৰপাতিয়ে থলুৱা স্বৰ্ণশিল্পীসকলৰ দক্ষতা বৃদ্ধিৰ লগতে তেওঁলোকক মানসম্পন্ন গহনা প্ৰস্তুতৰ দিশত সহায় কৰিব বুলি কয়। মন্ত্ৰীগৰাকীয়ে লগতে এই কেন্দ্ৰটোৰে অসমীয়া পৰাম্পৰাগত গহনাই বিশ্ববজাৰ দখলৰ কৰাৰ দিশটো বিশেষভাৱে সহায় কৰিব বুলি কয়। গহনা শিল্পক বৃত্তি হিচাপে গ্ৰহণ কৰিব খোজা যুৱক-যুৱতীসকলক এই কেন্দ্ৰটোৱে বিশেষভাৱে সহায় কৰি এই ক্ষেত্ৰত নতুন দিশৰ সূচনা কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে কয়।

উদ্যোগ আৰু বাণিজ্য বিভাগৰ প্ৰধান সচিব ড° কে কে দ্বিবেদীয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত গুৱাহাটী লোক সভা সমষ্টিৰ সাংসদ কুইন ওজা, দিছপুৰ বিধান সভা সমষ্টিৰ বিধায়ক অতুল বৰাইও ভাষণ প্ৰদান কৰে।

বঃভাঃ
৮/০১/২০২১